# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-MAY-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি প্ৰথমদিনা বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়কক ধৰি ১২৬ গৰাকী বিধায়কৰ শপত গ্ৰহণ। নৱ-নিৰ্বাচিত অধ্যক্ষ ৰণজিৎ কুমাৰ দাসলৈ লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ শুভেচ্ছা।

২। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা।

৩। বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শীঘ্ৰে পাঠ্যপুথি যোগান ধৰাৰ দাবীৰে সদৌ বড়ো ছাত্ৰ সন্থাৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ।

৪। আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে আজি অসমতো বিভিন্ন কাৰ্যসূচী। **আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

ooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজি দিছপুৰত আৰম্ভ হয়। আজি প্ৰথম দিনা অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়কক ধৰি মুঠ ১২৬ গৰাকী নৱ-নিৰ্বাচিত বিধায়কক শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে শপত গ্ৰহণ কৰে। ইয়াৰ পাছতে মন্ত্ৰী ৰামেশ্বৰ তেলী, অতুল বৰা আৰু অজন্তা নেওগে শপত লয়। বিধানসভাৰ অস্থায়ী অধ্যক্ষই বিধায়কসকলৰ ইচ্ছানুসাৰে নিজৰ মাতৃভাষাত শপত ল'ব পাৰে বুলি অনুমতি দিয়ে। মন্ত্ৰী চৰণ বড়োৱে বড়ো ভাষাত আৰু বিশ্বজিৎ দৈমাৰীয়ে সংস্কৃতত শপত লয়। কাৰ্বি আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বিধায়ককেইগৰাকীকো নিজৰ মাতৃভাষাত শপত ল'বলৈ অনুমতি দিয়া হয়।

ইয়াৰ পাছত শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিধানসভাৰ অধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱা ৰঞ্জিত কুমাৰ দাসলৈ অভিনন্দন জনায়। শ্ৰীদাসৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা, গভীৰ ৰাজনৈতিকবোধ আৰু সংসদীয় পৰম্পৰাৰ জ্ঞানে বিধানসভাৰ কাৰ্যপৰিচালনাত নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আস্থা ব্যক্ত কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে শ্ৰীদাস হৈছে দ্বিতীয়বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা প্ৰথমগৰাকী বিধায়ক। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অসম বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে ৰণজিৎ কুমাৰ দাসক অভিনন্দন জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত অধ্যক্ষগৰাকীয়ে কয়, যে শ্ৰীদাসৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা আৰু জন সেৱাৰ প্ৰতি অটল দায়বদ্ধতাই বিধানসভাৰ মৰ্যাদা আৰু গণতান্ত্ৰিক পৰম্পৰাক শক্তিশালী কৰিব।

বিধানসভাত কাইলৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব। ২৫ মে'ত ৰাজ্যপালৰ ভাষণক লৈ বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। শ্ৰী গাডকাৰীয়ে যাত্ৰীসকলৰ সুবিধাৰ্থে যোগাযোগ ব্যৱস্থা সুচল কৰাৰ বাবে উন্নত ঘাইপথ তথা বহনক্ষমতা নিশ্চিত কৰিবলৈ উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সময়মতে কাম সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বৰ্ষাকালৰ বাবে সুৰক্ষামূলক ব্যৱস্থাকে ধৰি সকলোধৰণৰ প্ৰস্তুতি নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত তেওঁ এই ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় তামটা আৰু হৰ্ষ মলহোট্ৰাকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শীঘ্ৰে পাঠ্যপুথি যোগান ধৰাৰ দাবী জনাই সদৌ বড়ো ছাত্ৰ সন্থাই আজি কোকৰাঝাৰ জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে চিৰাং, কোকৰাঝাৰ, ওডালগুৰি, গোৱালপাৰা, শোণিতপুৰ, ধেমাজি আৰু বৰপেটাকে ধৰি কমেও ১২ খন জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ পাঠ্যপুথি লাভ কৰা বুলি অভিযোগ তোলে। এবছুৰ সভাপতি কুৰৱমদাও ৱেৰিয়ে ভাৰতীয় সংবিধানৰ ২১ (ক) অনুচ্ছেদ আৰু শিক্ষাৰ অধিকাৰ আইনৰ কথা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যপুথি লাভ নকৰা বিষয়টো গুণগত শিক্ষাৰ মৌলিক অধিকাৰ খৰ্ব হোৱাৰ সমপৰ্যায়ৰ বুলি উল্লেখ কৰে। সংগঠনটোৱে লগতে মাধ্যমিক পৰ্যায়ৰ ছাত্ৰীৰ বাবে পৰম্পৰাগত বড়ো দখনাৰ ইউনিফৰ্ম আৰু প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উন্নতমানৰ কঁপাহী ইউনফৰ্মৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ তথা সমগ্ৰ শিক্ষা অভিযানক আহ্বান জনায়। তেওঁলোকে লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে সময়মতে স্কুল বেগকে ধৰি অন্যান্য প্ৰয়োজনীয় সামগ্ৰীসমূহ বিতৰণ কৰিবলৈ অনুৰোধ জনায়।

০০০০০

অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থা তথা হেল্প এইড ইণ্ডিয়া ফাউণ্ডেচনৰ সহযোগত আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সজাগতা আৰু পৰামৰ্শ কৰ্মশালা অনুষ্ঠিত হয়। যুৱ প্ৰজন্মক দক্ষতা বিকাশ আৰু আধুনিক শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কৰ্মশালাত এপ্লাইড মেনেজমেণ্ট, অভিযান্ত্ৰিক শিক্ষাৰ বিভিন্ন পাঠ্যক্ৰম, খাদ্য প্ৰযুক্তি, তথ্য প্ৰযুক্তি, পৰ্যটন আদিকে ধৰি বিভিন্ন বিভাগত কেৰিয়াৰৰ সম্ভাৱনাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰা হয়। অনুষ্ঠানত হেল্প এইড ইণ্ডিয়া ফাউণ্ডেচনৰ সঞ্চালক, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদককে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৰ্মশালা সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয়—

**বাইট (উদ্যোক্তা)**

০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ উৎসৱ ঈদ-উজ-জোহা উদযাপনৰ ব্যৱস্থাপনা সন্দৰ্ভত ধুবুৰী জিলা আয়ুক্তৰ সভাকক্ষত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত মেঘনিধি দাহালৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত শ্ৰীদাহালে অহা ২৮ মে'ত সংশ্লিষ্ট বিভাগক নিষ্ঠা আৰু আন্তৰিকতাৰে দায়িত্ব পালন কৰি জিলাখনত সুচাৰুৰূপে ঈদ উদযাপনৰ বাবে আহ্বান জনায়। জিলা আয়ুক্তই অসম গো-সংৰক্ষণ আইন ২০০১ৰ বিধানসমূহৰ বিষয়ে সকলোকে অৱগত কৰি এই আইনৰ অধীনত যথাযথ অনুমতি পত্ৰ অবিহনে গো-হত্যা, বিক্ৰী আৰু পৰিবহণত কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি স্পষ্ট কৰি দিয়ে। শ্ৰীদাহালে আজিৰ সভাত উপস্থিত থকা মছজিদ আৰু ঈদগাহসমূহৰ প্ৰতিনিধিসকলক নিজ নিজ সম্প্ৰদায়ক এই আইনৰ বিধানসমূহৰ বিষয়ে অৱগত কৰিবলৈ আৰু কোনো

অপ্ৰীতিকৰ পৰিস্থিতিৰ যাতে সৃষ্টি নহয় তাৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ জিলা পশু চিকিৎসা বিষয়াক প্ৰয়োজন অনুযায়ী পৰিদৰ্শন আৰু প্ৰমাণিকৰণৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে লগতে স্বাস্থ্য বিভাগক ভিৰ থকা ঈদগাহসমূহত যিকোনো জৰুৰীকালীন চিকিৎসাৰ বাবে এম্বুলেন্সৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। ০০০০

০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ অধীনত পি এম ডিভাইন আঁচনিৰ জৰিয়তে থ্ৰীডি প্ৰিণ্টিং চি অ' ই টেক চিটী গুৱাহাটীয়ে শিক্ষাবীদ আৰু উদ্যোগসমূহৰ সৈতে মিলিত হৈ থ্ৰীডি প্ৰিণ্টিঙকে ধৰি উদ্যোগ 4.0ৰ বিভিন্ন প্ৰযুক্তি বিদ্যাৰ বিকাশ আৰু প্ৰচাৰ কৰিছে। ইয়াৰে ভিতৰত ডিজিটেল আৰ্হি আৰু থ্ৰীডি প্ৰিণ্টিঙৰ জৰিয়তে স্বাস্থ্য খণ্ডত বিশেষকৈ দন্ত চিকিৎসাত বিশেষ অগ্ৰগতি লাভ কৰিছে। শেহতীয়াকৈ কৃত্ৰিম দাঁত ব্যৱহাৰকাৰীসকলৰ ক্ষেত্ৰত এই ব্যৱস্থা যথেষ্ট ফলপ্ৰসূ হোৱা পৰিলক্ষিত হৈছে। এমট্ৰনৰ সহযোগত থ্ৰীডি প্ৰিণ্টিং চেণ্টাৰ অব এক্সচিলেন্স আৰু এইমছ্ গুৱাহাটী, এন এইচ এ কে ক'হিমাৰ জৰিয়তে উত্তৰ-পূব ভাৰতৰ দন্ত চিকিৎসক সকলে থ্ৰীডি প্ৰিণ্টিং সন্দৰ্ভত যোৱা ১৮ মে'ৰ পৰা অনুষ্ঠিত

০০০০০

কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ বৈঠক জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ সভাপতিত্বত আজি অনুষ্ঠিত হয়। বৈঠকত শিশু কল্যাণ সমিতি আৰু কিশোৰ ন্যায় পৰিষদৰ কাৰ্যকলাপৰ লগতে অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। শিশু কল্যাণ আৰু সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। আইন সন্মত দত্তক গ্ৰহণ প্ৰক্ৰিয়াৰ ওপৰতো গুৰুত্ব আৰোপ কৰাৰ লগতে অনাথ, অসহায় আৰু যত্ন প্ৰয়োজন হোৱা শিশুসকলৰ সুৰক্ষা, উন্নত ভৱিষ্যৎ নিশ্চিত কৰাৰ বাবে দত্তক গ্ৰহণ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বৈঠকত উল্লেখ কৰা হয়।

০০০০০

বিশ্বনাথ জিলাৰ হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত ডাথকলাত আজি সেনা, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দ্বাদশ বেটেলিয়ন আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ সহযোগত বান সাহাৰ্য সঁহাৰি অনুশীলন সম্পন্ন কৰা হয়। আন্তঃবিভাগীয় সমন্বয় শক্তিশালী কৰা, দুৰ্যোগ প্ৰাৰম্ভিক প্ৰস্তুতি তথা বাৰিষাৰ সময়ত কাৰ্যকৰী বান ব্যৱস্থাপনাৰ বাবে যুটীয়া সঁহাৰি ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে এই অনুশীলনৰ আয়োজন কৰা হয়।

০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস। ৰাষ্ট্ৰসংঘৰ উদ্যোগত প্ৰতি বছৰে ২১ মে'ৰ দিনা এই দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে অসমৰ চাহ উদ্যোগে ইতিমধ্যে ২০০ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে। দেশৰ মুঠ চাহ উৎপাদনৰ ভিতৰত অসমৰ অংশ হৈছে ৫৪ শতাংশ। শেহতীয়াকৈ ক্ষুদ্ৰ চাহ উদ্যোগে অসমৰ অৰ্থনীতিলৈ প্ৰভূত বৰঙণি আগবঢ়াইছে। উন্নত পদ্ধতিৰে চাহ খেতি কৰি এনে ক্ষুদ্ৰ খেতিয়কসকলে বজাৰত কেঁচা পাতৰ উচিত মূল্য পাবলৈ সমৰ্থ হৈছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত আজি এই দিৱস উপলক্ষে ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হয়। ভাৰতীয় চাহ ব'ৰ্ডৰ উদ্যোগত আৰু যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত এই দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত ভাষণ দি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ দ্বীপজ্যোতি ৰাজখোৱাই কয়, যে প্ৰযুক্তি আৰু মানসম্পন্ন সঁজুলিৰ যথাযথ প্ৰয়োগৰ জৰিয়তে চাহ খেতিৰ উত্তৰণ ঘটোৱাৰ ওপৰত গুৰুত্ব দিয়া উচিত। তেওঁ কয়, যে অতি পুৰণি সংগঠিত কৃষি খণ্ড হিচাপে চাহ খেতিয়ে আৰ্থসামাজিক অৱস্থা আগবঢ়াই নিয়াৰ উপৰি বিদেশী মুদ্ৰা উপাৰ্জন তথা অৰ্থনৈতিক সৱলীকৰণৰ ক্ষেত্ৰতো প্ৰভূত বৰঙণি আগবঢ়াইছে।

আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ উদ্যোগক উজ্জীৱিত কৰা প্ৰতিগৰাকী ব্যক্তিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে বিশ্বজুৰি সমাদৃত অসমৰ চাহত ৰাজ্যখনৰ মাটি, বৰষুণ, পৰিশ্ৰম আৰু ঐতিহ্যৰ সুবাস আছে। বিশ্ব চাহ মানচিত্ৰত অসম শক্তিশালী

অংশ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সেউজীয়া চাহ বাগিচা, লাখ লাখ শ্ৰমিকৰ অক্লান্ত শ্ৰম আৰু দুটা শতিকাজোৰা ঐতিহ্যই অসমৰ চাহক বিশ্বজুৰি অনন্য সোৱাদ আৰু সন্মান দিছে।

০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজুৰি চলি থকা জনভাগীদাৰী অভিযানৰ অংশ হিচাপে আজি পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অনৰ্গত বৰথলৰত বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু সজাগতাসভা অনুষ্ঠিত হয়। এই শিবিৰত বৰ্ধন আৰু ইয়াৰ কাষৰীয়া কেইবাখনো গাঁৱৰ ভালেসংখ্যক লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। স্বাস্থ্যকৰ্মীৰ দলে ৰোগীসকলক প্ৰয়োজনীয় চিকিৎসা পৰামৰ্শ প্ৰদানৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰে। স্বাস্থ্য পৰীক্ষাৰ সমান্তৰালভাৱে যক্ষ্মা ৰোগ নিয়ন্ত্ৰণ তথা কুষ্ঠৰোগ নিবাৰণ কোষৰ উদ্যোগত বিশেষ সজাগতামূলক কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

০০০০০

অৰুণাচল প্ৰদেশৰ পাচিঘাটৰ উদ্যান শস্য আৰু বন বিজ্ঞান মহাবিদ্যালয়ত আজিৰেপৰা তিনিদিনীয়াকৈ উত্তৰ-পূৰ্বাঞ্চলত তৈল খেজুৰৰ দ্ৰুত বিকাশৰ বাবে কৌশলগত সমাধান শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হৈছে। উত্তৰ-পূবৰ পাৰ্বত্য অঞ্চলসমূহত তৈল খেজুৰৰ খেতিৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবে কৌশলগত ব্যৱস্থা গ্ৰহণ তথা বনস্পতি তেলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰাৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০০০

সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত, প্ৰথম অসমীয়া প্ৰশাসনিক বিষয়া আনন্দৰাম বৰুৱাৰ ১৭৬ সংখ্যক জয়ন্তী উপলক্ষে আজি পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমিত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত শিক্ষা প্ৰতিষ্ঠানখনৰ অধ্যক্ষ নন্দিতা বৰ্মনে তেওঁৰ ভাষণত অসমীয়া সমাজলৈ আনন্দৰাম বৰুৱাৰ অৱদানৰ কথা সুঁৱৰি ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। পণ্ডিতগৰাকীলৈ সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্ৰদ্ধা নিবেদন কৰাৰ লগতে উপস্থিত বক্তাসকলে তেওঁৰ জীৱন আৰু কৰ্মৰাজীৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।০০০০

০০০০০

নলবাৰীৰ কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই পূৰ্বৰ দৰে এইবাৰো ৰাজ্যৰ দুগৰাকী সংস্কৃত পণ্ডিতলৈ সন্মান আগবঢ়াইছে। এই অনুসৰি সংস্কৃত পণ্ডিত ড০ মুকুন্দকাম শৰ্মালৈ ন্যায় শিৰোমণি আৰু ড০ ৰাজেন্দ্ৰ নাথ শৰ্মালৈ মীমাংসা কেশৰী উপাধি আগবঢ়োৱা হৈছে। অহা ২৪ মে'ত নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত হ'বলগীয়া সভাৰ ত্ৰিবাৰ্ষিক অধিৱেশনত দুয়োগৰাকী পণ্ডিত এই সন্মান প্ৰদান কৰা হ'ব। এই সভাতে সংস্কৃত ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হকে কৰা গৱেষণামূলক কাৰ্যৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰা নলবাৰী জিলাৰ গৱেষকসকলক সম্বৰ্ধনা জনোৱা হ'ব বুলি আমাৰ নলবাৰীৰ সংবাদাতাই জনাইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

গুজৰাট টাইটানছে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

০০০০০

সমাপ্ত